# ভাৰতৰ উচ্চতম ন্যায়ালয়

আবেদনকাৰীঃ

কুট্টিয়াপন

বনাম

উত্তৰদাতা

ইউনিয়ন অৱ ইণ্ডিয়া আৰু অন্যান্য

বিচাৰৰ তাৰিখঃ ২৬-০৮-১৯৯৬

বিচাৰপীঠ

ৰামস্বামী, কে।

বিচাৰপীঠ

ৰামস্বামী, কে।

জি. বি. পাট্টানাইক (জে)

**আইনঃ**

**শীৰ্ষ টোকা**

**বিচাৰঃ**

বিলম্ব মাৰ্জনা কৰা হৈছে।

এই এছ. এল. পি.খন ও এ সংখ্যা ১৪৭০/৯৩ সংক্ৰান্তে মাদ্ৰাজ বিচাৰপীঠৰ কেন্দ্ৰীয় প্ৰশাসনিক ন্যায়াধিকৰণৰ ১৯৯৬ চনৰ ৩০ জানুৱাৰীত দিয়া আদেশৰ বিৰুদ্ধে দাখিল কৰা হৈছে৷ ২৫% কোটাৰ অধীনত পদোন্নতিৰ বাবে ভিতৰুৱাকৈ আন আন লোকৰ সৈতে আবেদনকাৰীগৰাকীকো নিৰ্বাচিত কৰা হৈছিল৷ ১৯৮৮ চনৰ পৰাই বাছনি প্ৰক্ৰিয়া আৰম্ভ হৈছিল যদিও তেওঁলোকে ১৯৯০ চনৰ অক্টোবৰ মাহতহে উক্ত পদসমূহত যোগদান কৰিছিল। ১৯৮৯ চনত একেধৰণৰ প্ৰক্ৰিয়াৰ জৰিয়তে বাছনিত উঠা আন এটা গোটে ১৯৯০ চনৰ আগষ্ট মাহত উক্ত পদসমূহত যোগদান কৰিছিল৷ আবেদনকাৰীসকলে তেওঁলোকৰ ওপৰত জ্যেষ্ঠতাৰ দাবী কৰিছে। ন্যায়াধিকৰণে তেওঁলোকৰ আবেদন নাকচ কৰিছে। গতিকে এই বিশেষ অনুমতি আবেদন (এছ এল পি) দাখিল কৰা হৈছে।

ভাৰতীয় ৰে'লৱে প্ৰতিষ্ঠানৰ হাতপুথিৰ বিধি ৩০২ আৰু বিধি ৩০৬ৰ উদ্ধৃতি দি আবেদনকাৰীসকলে যুক্তি আগবঢ়ায় যে যিহেতু তেওঁলোকক প্ৰত্যক্ষ নিযুক্তি প্ৰক্ৰিয়াৰ দ্বাৰা নিৰ্বাচিত কৰাসকলতকৈ পূৰ্বে নিৰ্বাচন কৰা হৈছিল, সেয়েহে তেওঁলোকক উত্তৰদাতাসকলৰ তুলনাত জ্যেষ্ঠ বুলি গণ্য কৰা উচিত। অৱশ্যে এই যুক্তিৰ সৈতে আমি একমত নহয়। ৩০২ নং নিয়মত কোৱা হৈছেঃ

"৩০২। যদিহে স্পষ্টভাৱে কোনো বিকল্প উল্লেখ কৰা নাথাকে, প্ৰাৰম্ভিক নিযুক্তি গ্ৰেডত জ্যেষ্ঠতাৰ নীতি গ্ৰেডত নিযুক্তিৰ তাৰিখৰ দ্বাৰা নিৰ্ধাৰণ কৰা হয়। ৰেলসেৱাত নিযুক্তসকলক কেৱল প্ৰাৰম্ভিক দৰমহাতকৈ অধিক দৰমহা লাভ কৰিলেই সাধাৰণতে ইতিমধ্যে নিয়মীয়া পদত নিযুক্তি পোৱাসকলৰ ওপৰত জ্যেষ্ঠতা প্ৰদান কৰা নহয়। যিবোৰ শ্ৰেণীত পদ আংশিকভাৱে পদোন্নতিৰ দ্বাৰা পূৰণ কৰা হয়, সেইবোৰ শিতানত পদোন্নতিপ্ৰাপ্তসকলৰ নিয়মীয়া পদোন্নতিৰ তাৰিখ আৰু প্ৰত্যক্ষ নিযুক্তিৰ দ্বাৰা কৰ্মী

পদত যোগদানৰ তাৰিখৰ দ্বাৰা জ্যেষ্ঠতা নিৰ্ধাৰণ কৰা হয়। যদিহে পদোন্নতিপ্ৰাপ্ত ৰেলৱে কৰ্মচাৰী আৰু প্ৰত্যক্ষ নিযুক্তিপ্ৰাপ্ত দুয়োজনেই একে তাৰিখতে কোনো গ্ৰেডত প্ৰৱেশ কৰে, তেন্তে তেওঁলোকক বিকল্প পদত ৰখা উচিত, পদোন্নতিপ্ৰাপ্তসকল যিহেতু প্ৰত্যক্ষ নিযুক্তিপ্ৰাপ্তসকলতকৈ জ্যেষ্ঠ গতিকে শ্ৰেণী অনুসৰি প্ৰত্যেকৰে জ্যেষ্ঠতা বজাই ৰাখিব লাগে।

(সংখ্যা ই (এন জি) ১-৭৯- এছ আৰ-৬-৪২ তাং ০৭-০৪-১৯৮২ এ চি এছ ১৩২)

একেদৰে, ৩০৩ নং নিয়মটো তলত উল্লেখ কৰা ধৰণৰঃ

"৩০৬. দফা ৩০৫-ৰ অধীনত অন্তৰ্ভুক্ত ক্ষেত্ৰৰ বাহিৰে, পূৰ্বৰ বাছনিৰ সময়ত নিযুক্তিৰ বাবে নিৰ্বাচিত হোৱা প্ৰাৰ্থীসকল নিযুক্তিৰ তাৰিখ নিৰ্বিশেষে পিছত নিৰ্বাচিত হোৱাসকলতকৈ জ্যেষ্ঠ হ'ব।"

এই নিয়মসমূহে স্পষ্ট কৰি দিয়ে যে নিৰ্বাচনৰ প্ৰক্ৰিয়াই জ্যেষ্ঠতা নিৰ্ধাৰণ নকৰে। গুৰুত্বপূৰ্ণ কথাটো হ'ল নিৰ্বাচন প্ৰক্ৰিয়াৰ পিছত প্ৰাৰ্থীসকলে নিজৰ কাম কৰি থকা পদত যোগদান কৰা তাৰিখটো। নিয়মীয়াকৈ পদোন্নতি পোৱা প্ৰাৰ্থীৰ বাবে জ্যেষ্ঠতা বাছনি প্ৰক্ৰিয়াৰ পিছত কাম আৰম্ভ কৰাৰ তাৰিখৰ পৰা আৰম্ভ হয়, আনহাতে প্ৰত্যক্ষ নিযুক্তিৰ বাবে গ্ৰেডত প্ৰৱেশৰ তাৰিখৰ পৰা আৰম্ভ হয়। এই প্ৰক্ৰিয়াটো সম্পূৰ্ণ কৰিবলৈ প্ৰশিক্ষণৰ প্ৰয়োজনীয়তা নুই কৰিব নোৱাৰি আৰু প্ৰশিক্ষণ শেষ নোহোৱালৈকে তেওঁলোকে পদোন্নতি থকা পদত নিয়মিতভাৱে কাম কৰি যাব নোৱাৰে।

৩০৬ নং নিয়ম প্ৰযোজ্য এনে পৰিস্থিতিৰ ক্ষেত্ৰত য'ত নিযুক্তিৰ তাৰিখ যিয়েই নহওক কিয়, পূৰ্বে নিৰ্বাচন কৰি নিযুক্তি দিয়া প্ৰাৰ্থীসকল পিছত নিৰ্বাচন কৰি নিযুক্তি পোৱা প্ৰাৰ্থীসকলৰ তুলনাত জ্যেষ্ঠ হৈ পৰে।

কিন্তু পদোন্নীত আৰু প্ৰত্যক্ষ নিযুক্তিৰ মাজত জ্যেষ্ঠতা নিৰ্ধাৰণৰ ক্ষেত্ৰত এই মাপকাঠী প্ৰযোজ্য নহয়। এই নিয়মৰ ভিত্তিত ন্যায়াধিকৰণে দাবী নাকচ কৰাটো শুদ্ধ আছিল। গতিকে হস্তক্ষেপ কৰাৰ কোনো কাৰণ নাই, আৰু সেই অনুসৰি বিশেষ অনুমতি আবেদনখন খাৰিজ কৰা হয়।

অনুবাদঃ দিতিমণি গগৈ

স্পেচিয়েল অফিচাৰ

অনুবাদ শাখা

Disclaimer- The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation.

“স্থানীয় ভাষা লৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে । ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ'ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰী কৰণ আৰু ৰূপায়ণৰ ক্ষে ত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বুলি বিবেচিত হ’ব।”